**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিচিত্ৰতাক ভাৰতীয় সংস্কৃতিৰ শক্তিশালী ভেটি বুলি অভিহিত কৰিছে।

২। সমগ্ৰ দেশত জনজাতীয় শিশুসকলক গুণগত শিক্ষা প্ৰদানৰ উদ্দেশ্যে ৪৪০ খন একলব্য আদৰ্শ আবাসিক বিদ্যালয় স্থাপন কৰা হৈছে।

৩। ভাৰত আৰু চৌদি আৰৱে দ্বিপাক্ষিক ভিজা ৰেহাই চুক্তিত স্বাক্ষৰ কৰিছে।

৪। ছত্তিচগড়ত সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩ জন মাওবাদী নিহত হৈছে।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ আহমেদাবাদত অনুষ্ঠিত হ'ব।

০০০০০০০

বিচিত্ৰতা ভাৰতীয় সংস্কৃতিৰ শক্তিশালী ভেটি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। ত্ৰিদেশীয় ভ্ৰমণসূচীৰ অন্তিম পৰ্যায়ত আজি অ'মানৰ মাছকাটত প্ৰবাসী ভাৰতীয় আৰু শিক্ষাৰ্থীসকলক উদ্দেশি ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতীয়সকলৰ বাবে প্ৰতিটো দিনে নতুন ৰং, প্ৰতিটো ঋতু নতুন উৎসৱ আৰু প্ৰতিটো পৰম্পৰা নতুন অৱধাৰণা স্বৰূপ। এইবাবে ভাৰতীয়সকল য'লৈকে যায়, তেওঁলোকে সেই ঠাইৰ বিবিধতাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰীয়ে আজি পুৱা ভাৰত-অ'মান ব্যৱসায় শীৰ্ষ সন্মিলনত ভাগ লয়। সন্মিলনত দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে ভাৰত-অ'মান ব্যৱসায় শীৰ্ষ সন্মিলনে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কত নতুন গতি আৰু দিশ প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয়, যে ব্যৱসায় জগতৰ কাণ্ডাৰীসকল মাণ্ডৱী আৰু মাছকাটক সংযুক্ত কৰা ঐতিহাসিক সামুদ্ৰিক ঐতিহ্যৰ উত্তৰাধিকাৰী। তেওঁ কয়, যে সময়ৰ সোঁতৰ সৈতে ভাৰত আৰু অ'মানৰ মাজত মৈত্ৰী বান্ধোন ক্ৰমাৎ শক্তিশালী হৈ উঠিছে।

(বাইট)

দেশখনৰ সৈতে ৭০ বছৰৰ কূটনৈতিক সম্পৰ্কৰ বিষয়ে আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে আস্থা আৰু মিত্ৰতা দেশ দুখনৰ মাজৰ সম্পৰ্কৰ মূল ভেঁটি। এই সম্পৰ্ক সম্প্ৰতি উমৈহতীয়া ঐতিহ্যকেন্দ্ৰিক সমৃদ্ধিশালী ভৱিষ্যতৰ দিশে অগ্ৰসৰ হৈছে বুলি শ্ৰী মোদীয়ে মন্তব্য কৰে। সন্মিলনত ভাষণ দি কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেলে আজিৰ দিনটোক ঐতিহাসিক ক্ষণ বুলি অভিহিত কৰে। তেওঁ কয়, যে ভাৰত আৰু অ'মানে বাণিজ্য আৰু অৰ্থনৈতিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে সৰ্বাত্মক অৰ্থনৈতিক সহযোগিতা চুক্তিত স্বাক্ষৰ কৰিব। ইয়াৰ পূৰ্বে অ'মানৰ বাণিজ্য মন্ত্ৰী কেইছ বিন মহম্মদ অল য়ুছুফে ভাৰতীয় প্ৰতিনিধি দলক আদৰণি জনাই দেশ দুখনৰ মাজৰ শক্তিশালী ঐতিহাসিক সম্পৰ্ক আৰু ভৱিষ্যতৰ বিকাশৰ বাবে ঔমৈহতীয়া দৃষ্টিকোণৰ বিষয়ে আলোকপাত কৰে।

০০০০০০০০০

সমগ্ৰ দেশতে জনজাতীয় শিশুসকলক গুণগত শিক্ষা প্ৰদানৰ বাবে ৪৪০ খন একলব্য আদৰ্শ আবাসিক বিদ্যালয় স্থাপন কৰা হৈছে। লোকসভাৰ প্ৰশ্নকালত আজি এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত জনজাতী পৰিক্ৰমা মন্ত্ৰী জোৱেল ওৰামে এই কথা প্ৰকাশ কৰি কয় যে চৰকাৰে ৭২৮ খন একলব্য আদৰ্শ আবাসিক বিদ্যালয় স্থাপনত অনুমোদন দিছে। চৰকাৰে জনজাতীয় লোকসকলৰ বাবে ভালেমান কল্যাণমূলক কাৰ্যসূচী আৰম্ভ কৰিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৬৩ হাজাৰ জনজাতীয় গাঁৱৰ উন্নয়ণৰ বাবে ৮০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে চৰকাৰে ধৰতি আবাস জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযান আৰম্ভ কৰিছে। তদুপৰি বিশেষভাৱে পিছপৰা জনজাতীয় গোটসমূহৰ বিকাশৰ বাবে প্ৰধানমন্ত্ৰী জন মন আঁচনি মুকলি কৰা হৈছে বুলি শ্ৰী ওৰামে জানিবলৈ দিয়ে।

০০০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে দেশত বৰ্ধিত পথ দূৰ্ঘটনাকলৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে আৰু সংসদৰ সদস্যসকলক তেওঁলোকৰ সমষ্টিসমূহত এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনাইছে। লোকসভাত আজি এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয়মন্ত্ৰীগৰাকীয়ে কয় যে দেশত বছৰি ৫ লাখ পথ দূৰ্ঘটনা সংঘটিত হয় আৰু এই দূৰ্ঘটনাত প্ৰায় ১ লাখ ৮০ হাজাৰ লোকৰ মৃত্যু হয়। তেওঁ কয় যে দূৰ্ঘটনাত ১৮ৰ পৰা ৩৪ বছৰ বয়সৰ ভিতৰৰ ৬৬ শতাংশ যুৱকৰ মৃত্যু হয়। পথ দূৰ্ঘটনা হ্ৰাস কৰাৰ বাবে চৰকাৰে ৪০ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে বিশেষ আঁচনি ৰূপায়ন কৰিছে আৰু প্ৰায় ৭ হাজাৰ দূৰ্ঘটনা প্ৰৱন এলেকা  মেৰামতি কৰা হৈছে বুলি শ্ৰী গাডকাৰীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে চলিত বৰ্ষৰ আৰম্ভণিতে মুকলি কৰা ৰাহ-বীৰ আঁচনিৰ অধীনত দূৰ্ঘটনাত পতিত হোৱা লোকসকলক শীঘ্ৰে হাস্পতাললৈ নিয়াসকলক ৰাহাবীৰ সন্মান প্ৰদান কৰাৰ লগতে নগদ ২৫ হাজাৰ টকা প্ৰদান কৰা হয়। দূৰ্ঘটনাগ্ৰস্ত লোকসকলৰ সহায়ৰ বাবে উন্নত এম্বুলেন্স সেৱাৰ সন্দৰ্ভত শ্ৰী গাডকাৰীয়ে কয় যে ৰাজ্য সমূহৰ সৈতে চুক্তিৰ জৰিয়তে দূৰ্ঘটনাস্থলীত ১০ মিনিটৰ ভিতৰতে উপস্থিত হ'ব পৰাকৈ আধুনিক এম্বুলেন্স সেৱা প্ৰদান কৰা হ'ব।

০০০০০০০০০

ভাৰত আৰু চৌদি আৰবে ৰিয়াধত দ্বিপাক্ষিক ভিজা ৰেহাই চুক্তিত স্বাক্ষৰ কৰিছে। চৌদি আৰবত থকা ভাৰতীয় ৰাষ্ট্ৰদূত সুহেল এজাজ খান আৰু চৌদি আৰবৰ বিদেশ মন্ত্ৰালয়ৰ প্ৰট'ক'ল পৰিক্ৰমা উপ-মন্ত্ৰী আব্দুলমজিদ বিন ৰাচিদ অল ছ্মৰিয়ে আজি এই চুক্তিত স্বাক্ষৰ কৰে। ইয়াৰ ফলত আনুষ্ঠানিক যাত্ৰা সুচল হ'ব আৰু ভাৰত-চৌদি আৰব কৌশলগত সহযোগিতা পৰিষদৰ অধীনত দ্বিপাক্ষিক আদান-প্ৰদানৰ প্ৰসাৰ ঘটিব। এই চুক্তিৰ অধীনত দুয়ো দেশৰ কূটনীতিবিদ, বিশেষ আৰু আনুষ্ঠানিক পাছপ'ৰ্টধাৰকসকলে হ্ৰস্বকালীন ভিজা সম্পৰ্কীয় আৱশ্যকীয় নীতি-নিয়মৰ পৰা ৰেহাই লাভ কৰিব। চৌদি আৰবত থকা ভাৰতীয় দূতাবাসে সামাজিক মাধ্যমযোগে দিয়া এটা বিবৃতিত উভয় দেশৰ মাজৰ কৌশলগত সহযোগিতা সুদৃঢ় কৰাই এই চুক্তিৰি উদ্দেশ্য বুলি প্ৰকাশ কৰিছে।

০০০০০০০০০

ভাৰতে ২০২৯ চনৰ ভিতৰত নিজৰ প্ৰতিৰক্ষা উৎপাদন দুগুণ কৰি ৩ লাখ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত কেন্দ্ৰীয়মন্ত্ৰী ডঃ মনসুখ মন্দাৱীয়াই এই কথা প্ৰকাশ কৰি কয় যে ইতিমধ্যে প্ৰতিৰক্ষা উৎপাদনত ভাৰতৰ উল্লেখনীয় বিকাশ হৈছে আৰু সম্প্ৰতি এই উৎপাদন ১ লাখ ৫০ হাজাৰ কোটিলৈ বৃদ্ধি হৈছে। একেদৰে অহা ৪ বছৰত প্ৰতিৰক্ষা ৰপ্তানি দুগুণ বৃদ্ধি হৈ

২৫ হাজাৰ কোটিৰ পৰা ৫০ হাজাৰ কোটি টকা হ'ব বুলি ডঃ মন্দাৰিয়াই প্ৰকাশ কৰে। ই গোলকীয় প্ৰতিৰক্ষা নেতৃত্বত গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰ হিচাপে ভাৰতৰ ভূমিকাক শক্তিশালী কৰিব বুলি তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০০০

ছত্তিচগড়ৰ চুকমা জিলাত আজি সেনা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত ৩ জন মাওবাদী নিহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে জিলা সংৰক্ষিত বাহিনীৰ এটা দলে যোৱা নিশা চুকমা জিলাৰ কিষ্টাৰাম এলেকাত মাওবাদীৰ উপস্থিতিৰ তথ্য লাভ কৰাৰ পাছত অভিযান চলায়। আজি পুৱাৰ ভাগত চিংগানামাৰাগো অঞ্চলত সেনা আৰু মাওবাদীৰ মাজত গুলীয়াগুলী চলে। বৰ্তমানলৈকে সেই স্থানৰ পৰা ৩ জন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। অঞ্চলটোত আৰক্ষী আৰু সুৰক্ষা বাহিনীৰ অতিৰিক্ত দল নিয়োগ কৰা হৈছে আৰু সমগ্ৰ অঞ্চলটোত ব্যাপক অভিযান অব্যাহত আছে।

০০০০০০০০০

পশ্চিমবংগত ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ অংশ হিচাপে সংশ্লিষ্ট ব্যক্তিসকললৈ আজিৰেপৰা শুনানিৰ বাবে জাননী প্ৰেৰণ কৰা হ'ব। ভোটদাতাসকলে শুনানিৰ বাবে ৭ দিন সময় লাভ কৰিব। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ে প্ৰকাশ কৰা মতে অহা সপ্তাহৰ পৰা শুনানি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৮৫ আৰু ইয়াৰ ঊৰ্ধৰ জ্যেষ্ঠ নাগৰিকসকলে শুনানিৰ বাবে কেন্দ্ৰত সোঁশৰীৰে উপস্থিত নহ'লেও হ'ব। নিৰ্বাচনী পঞ্জীয়ন বিষয়া, সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া আৰু বুথ পৰ্যায়ৰ বিষয়াসকলে তেওঁলোকৰ ঘৰলৈ যাব।

০০০০০০০০০

AMNESTY ইণ্টাৰনেচনেলে মুখ্য উপদেষ্টা প্ৰফেছৰ মহম্মদ য়ুনুছ নেতৃত্বাধীন বাংলাদেশৰ অন্তৰৰ্তীকালীন চৰকাৰক অভিব্যক্তিৰ স্বাধীনতা সুনিশ্চিত কৰাৰ লগতে এইমাহত সন্ত্ৰাসবাদ প্ৰতিৰোধী আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা সাংবাদিক অনিচ আলমগীৰক ততালিকে মোকলাই দিবলৈ আহ্বান জনাইছে। AMNESTY ইণ্টাৰনেচনেলৰ আঞ্চলিক গৱেষক ৰিহাব মহছুৰে প্ৰকাশ কৰা মতে সামাজিক মাধ্যম আৰু মূলসূঁতিৰ সংবাদ মঞ্চৰ যোগেদি আৱামী লীগক সমৰ্থন কৰাৰ অভিযোগত আলমগীৰক গ্ৰেপ্তাৰ কৰা হৈছে। সংস্থাটোৱে অন্তৰৰ্তীকালীন চৰকাৰক অসামৰিক আৰু ৰাজনৈতিক অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিৰ অধীনত নিজৰ দায়িত্ব পালন কৰিবলৈ কৈছে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰই কৃত্ৰিম বুদ্ধিমত্তা আৰু অৰ্ধ পৰিবাহী খণ্ডৰ যোগান-শৃংখলাৰ বাবে ভাৰতক গুৰুত্বপূৰ্ণ সহযোগী হিচাপে গণ্য কৰে বুলি দেশখনৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ উপ-মন্ত্ৰী জেকব হেলবাৰ্গে প্ৰকাশ কৰিছে। ৱাশ্বিংটনত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত উপ-মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁ অহা ফেব্ৰুৱাৰীত হ'বলগীয়া ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। তেওঁ কয়, যে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ভাৰতৰ মাজত চলি থকা বাণিজ্য ব্যৱস্থা সম্পৰ্কীয় আলোচনা আৰু যোগান শৃংখলাৰ সুৰক্ষা বিষয়ক আলোচনা সম্পূৰ্ণৰূপে সুকীয়া বিষয়। ভাৰত কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষ সন্মিলনে দ্বিপাক্ষিক আৰ্থিক সুৰক্ষা চুক্তিৰ প্ৰগতিত সহায় কৰিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ইপিনে, যোৱানিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত চতুৰ্থখন খেল ঘন কুঁৱলীৰ বাবে পৰিত্যক্ত ঘোষণা কৰা হয়। আম্পায়াৰে কেইবাবাৰো পৰ্যবেক্ষণৰ অন্তত কম পোহৰৰ বাবে খেলখন পৰিত্যক্ত ঘোষণা কৰে। ভাৰত শৃংখলাত ২-১ ফলাফলত আগবাঢ়ি আছে।

০০০০০০০০০

সমাপ্ত